**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-12-2024 **Time :** 1205 Hrs

## *Assamese Midday Bulletin*

অসম চৰকাৰে ঝলিৰে পৰা ৰাজ্যৰ প্ৰতিখন জিলাক সামৰি গ্ৰহণ কৰা বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ অধীনত শিক্ষা বিভাগৰ তিনিটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী লোৱা হৈছে। ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিবলগীয়া এই কাৰ্যসূচীসমূহ ৰূপায়নত কোনো কাৰণতে যাতে বিসংগতি বা ধনৰ অবৈধ লেনদেন নহয় সেই কথা নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কঠোৰভাৱে নিৰ্দেশ জাৰি কৰিছে। এনে ঘটনা দৃষ্টিগোচৰ হোৱা মাত্ৰেই তেওঁক ফেচবুক একাউণ্ট যোগে অৱগত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ড০ শৰ্মাই কয়, যে এই আঁচনি ৰূপায়ন হোৱাৰে পৰা ৪লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ সুবিধা লাভ কৰিছে। একেদৰে, ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত ৰাজ্যৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰী আৰু ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰক স্কুটি আগবঢ়োৱা হয়। এই বছৰ ৪৮ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তদুপৰি, নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ আহ-যাহ সুবিধা হোৱাকৈ ৩ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

নলবাৰী জিলাৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। জিলাখনৰ এহেজাৰ ৮৪৯ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত জিলাখনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ৮ হাজাৰ ৯৭০ গৰাকী শিক্ষাৰ্থীক চাইকেল বিতৰণ কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৩৭৬ গৰাকী শিক্ষাৰ্থীক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

বজালী জিলাৰ ভগৱতী ক্ষেত্ৰত আজি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলাখনৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। জিলাখনৰ ৮৫৫ গৰাকী শিক্ষাৰ্থীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী বিতৰণ কৰা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জলজীৱন অভিযানৰ প্ৰশংসা কৰি কয়, যে এই আঁচনিখনে মহিলা সৱলীকৰণত বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয়, যে ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী উপলব্ধ হোৱাৰ পাছত এতিয়া মহিলাসকলে দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীৰ পোষ্টৰ সমৰ্থনত কয়, যে ৰাজ্যৰ প্ৰতিটো পৰিয়াললৈ নল যোগে পানী যোগান ব্যৱস্থাৰ স্থায়ী সমাধানৰ ফলত এতিয়া বিভিন্ন ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ ২৮ শতাংশতকৈ অধিক বৃদ্ধি পাইছে।

০০০০০০

রাজ্যৰ অন্যান্য জিলাৰ লগতে বিশ্বনাথ জিলাত আজিৰে পৰা ২৬ ডিচেম্বৰলৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ৰূপায়ণ কৰা হ'ব। ৰাষ্ট্ৰীয় কুষ্ঠ ৰোগ নিৰ্মূলকৰণ আঁচনিৰ অধীনত জিলা স্বাস্থ্য বিভাগ আৰু বিশ্বনাথ শাখা স্বাস্থ্য অভিযানৰ অধীনত এই অভিযান ৰূপায়ণ কৰা হ'ব। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰি এই ৰোগৰ লক্ষণ দেখা দিয়া মাত্ৰেই লুকুৱাই নাৰাখি স্বাস্থ্য কৰ্মীৰ সৈতে যোগাযোগ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০

২০৩৫ চনৰ ভিতৰত ভাৰতৰ নিজা মহাকাশ কেন্দ্ৰ প্ৰতিষ্ঠা হ'ব আৰু ২০৪০ চনৰ ভিতৰত এগৰাকী ভাৰতীয়ই চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰিব বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি বিজ্ঞান মন্ত্ৰালয়ৰ সাফল্য সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰি ড° সিঙে কয়, যে চৰকাৰে সূচনা কৰা মহাকাশ সংস্কাৰে মহাকাশ ক্ষেত্ৰৰ অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। তেওঁ কয়, যে বৰ্তমানলৈকে ভাৰতৰ পৰা ৪৩২টা বিদেশী কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰা হৈছে আৰু ইয়াৰ প্ৰায় ৯০ শতাংশই বিগত ১০ বছৰত সম্পন্ন কৰা হৈছে। বিজ্ঞানৰ প্ৰতি চৰকাৰৰ বহুমুখী দৃষ্টিভংগীৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে বিভিন্ন ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগেৰে জৈৱ প্ৰযুক্তি, জৈৱ অৰ্থ ব্যৱস্থা, ভূ-স্থানিক কাৰ্যসূচী, প্ৰতিৰক্ষা আৰু কৃষিখণ্ডত ব্যাপক প্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত বেডমিণ্টনৰ বি ডব্লিউ এফ বৰ্ল্ড টুৰ ফাইনেলৰ মহিলাৰ দ্বৈতশাখাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ভাৰতীয় যুটী তৃষা জলি আৰু গায়ত্ৰী গোপী চান্দ আজি মালেয়েচিয়া যুটী পাৰ্লিটাণ আৰু থিনাহ মুৰালীথাৰনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাত খেলুৱৈ দুগৰাকী ভাৰতৰ একমাত্ৰ প্ৰতিনিধি হিচাপে অংশ লৈছে।

০০০০০০

সমাপ্ত